**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-MAY-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক।
২। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগৰ মন্ত্ৰী অতুল বৰাক সংসদীয় পৰিক্ৰমা বিভাগৰ অন্তৰ্বৰ্তীকালীন দায়িত্ব অৰ্পণ।
৩। দেশৰ অন্যান্য অংশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ জন ভাগিদাৰী সপ্তাহৰ আনুষ্ঠানিক শুভাৰম্ভ।
৪। ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল নিৰ্বাচন সন্দৰ্ভত আজি গুৱাহাটীত বি চি চি আইৰ গুৰুত্বপূৰ্ণ বৈঠক।

*আৰু*

৫। আই পি এলত কালি চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদ প্লে-অফ পৰ্যায়ত উপনীত।

oooooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত থাকিব। আজিৰ বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ণ কৰা হ'ব। তদুপৰি বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতিৰ সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰ মুকলি কৰা হ'ব। উল্লেখযোগ্য যে, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এই উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ পুনৰ গঠনৰ পাছত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

oooooo

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ন, আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাক অন্তৰ্বৰ্তীকালীন ব্যৱস্থা হিচাপে সংসদীয় পৰিক্ৰমা বিভাগৰ কাম-কাজ চোৱাচিতা কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ অনুসৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই নিৰ্দেশনা জাৰি কৰিছে।**

oooooo

কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত দেশজুৰি আৰম্ভ হোৱা তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানৰ অংশস্বৰূপে জনজাতীয় লোকসকলৰ সৰ্বাংগীন কল্যাণৰ লক্ষ্যৰে **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। চিৰাং জিলাত কালি অনুষ্ঠিত এই কাৰ্যসূচীৰ বিষয়ে আমাক সবিশেষ জনাইছে জিলাখনৰ সংবাদদাতা কুঞ্জমোহন ৰয়ে-

(বাইট)

নগাঁও জিলাতো কালি জনজাতীয় লোকসকলৰ মাজত চৰকাৰী বিভিন্ন কল্যাণমূলক আঁচনি সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জন ভাগিদাৰী অভিযানৰ গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ সহকাৰী আদ্য প্ৰিয়ংকা কাশ্যপে অধ্যক্ষতা কৰে। বৈঠকত জিলাখনৰ সকলো খণ্ড উন্নয়ন বিষয়া উপস্থিত থাকে। এই বিশেষ অভিযানৰ অধীনত জিলাখনত অৰিয়ণ্টেছন ড্ৰাইভ, এনটাইটেলমেণ্ট ড্ৰাইভ, সৰ্বাংগিন সুবিধা প্ৰদান শিবিৰ আৰু স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হ'ব। ইয়াৰ লগতে গ্ৰাম্যাঞ্চলৰ ৰাইজৰ সৈতে পোনপটীয়া যোগাযোগৰ বাবে ভিলেজ ইমাৰ্ছন ড্ৰাইভ আৰু জনসাধাৰণৰ ওজৰ-আপত্তিৰ দ্ৰুত নিষ্পত্তি তথা ক্ষিপ্ৰ সমাধানৰ উদ্দেশ্যে জন শুনানি আদি বিভিন্ন জনকল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

ডিব্ৰুগড় জিলাতো কালি দেশজোৰা এই অভিযানৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত অভিযানৰ ৰূপায়ণ কৌশল, আন্তঃবিভাগীয় সমন্বয়, প্ৰসাৰ কাৰ্যসূচী আৰু নথি-পত্ৰ প্ৰস্তুতকৰণ সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ অধীনত গছপুলি ৰোপণ অভিযান, ক্ষেত্ৰভিত্তিক গাঁও পৰিদৰ্শন, জনশুনানি তথা অভিযোগ নিষ্পত্তি, স্বাস্থ্য শিবিৰ, প্ৰতিষেধক প্ৰদান শিবিৰকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

মৰিগাঁও জিলাত আয়ুক্ত কাৰ্যালয়ত কালি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। অভিযানৰ অধীনত অহা ২৫ মে'লৈকে ভালেমান সজাগতা আৰু কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অভিযানৰ অংশ হিচাপে ৰক্তদান শিবিৰ, স্বাস্থ্য শিবিৰ আৰু গছপুলি ৰোপণ অভিযান ৰূপায়ণ কৰা হ'ব। যোগ্য হিতাধিকাৰীসকলক বিভিন্ন সুবিধা প্ৰদানৰ বাবে জিলাখনৰ চাৰিটা উন্নয়ন খণ্ড কপিলি, মায়ং, ভূৰবন্ধা আৰু ভুৰাগাঁৱৰ ৬৮ খন জনজাতীয় গাঁও শিবিৰ মুকলি কৰা হ'ব।

গোৱালপাৰা জিলাৰ আমজোঙাত কালি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত দুধনৈ সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক তথা ৰাভা-হাচং স্বায়ত্ত শাসিত পৰিষধৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। জিলাখনৰ ৰংজুলি, দুধনৈ, শ্ৰীসূৰ্যগিৰি, পাইকান, বালিজানা আৰু লক্ষীপুৰ উন্নয়ন খণ্ডত অভিযানৰ কাৰ্যসূচী লোৱা হ'ব।

দৰং জিলাতো কালি **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত উদ্বোধনী অনুষ্ঠানত উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱাই কাৰ্যসূচীৰ বিষয়ে অৱগত কৰে। অভিযানৰ অধীনত স্বাস্থ্য, শিক্ষা, পুষ্টি, সামাজিক সুৰক্ষা, বিশুদ্ধ খোৱাপানীৰ যোগান, জীৱিকা সৃষ্টিৰ সুযোগ আদিত গুৰুত্ব আৰোপ কৰা হ'ব।

000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ অন্তিম তাৰিখ ২৪ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত কালি পৰিষদৰ এক নম্বৰ সংমণ্ডলৰ যুটীয়া সচিবে অধিসূচনা জাৰি কৰে। অধিসূচনা অনুসৰি ৩০ মে' পৰ্যন্ত বিদ্যালয়সমূহে পঞ্জীয়ন মাচুল জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ত সকলো বিদ্যালয়ক ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। পৰৱৰ্তী সময়ত পঞ্জীয়নৰ সময় বৃদ্ধি কৰা নহ'ব বুলিও অধিসূচনাত উল্লেখ কৰা হৈছে।

আনহাতে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি ৰাজ্যৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়াৰ বাবে কোনো বাধা নাথাকিব বুলি এখন জাননী জাৰি কৰিছে। অৱশ্যে বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়াৰ সুবিধা সংশ্লিষ্ট বিদ্যালয়খনত থাকিব লাগিব বুলিও জাননীখনত স্পষ্ট কৰি দিয়া হৈছে। ইতিমধ্যে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়ন প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে। যিসকল

শিক্ষাৰ্থীয়ে দুয়োটা বিষয় ইংৰাজী মাধ্যমত পঢ়িব বিচাৰে তেওঁলোকৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়াত কোনো সাল সলনি কৰাৰ প্ৰয়োজন নহয় বুলিও পৰিষদে জনাইছে।

০০০০০০

অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থা পৰ্যালোচনাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাৰ অন্তত ড০ শৰ্মাই সামগ্ৰীৰ মূল্যৰ ভাৰসাম্য ৰাখিবলৈ আৰু যিকোনো সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। এই নিৰ্দেশনা অনুসৰি জিলা আয়ুক্তৰ নেতৃত্বত তিনি-চাৰিদিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতিৰ বৈঠকৰ আহ্বান, দোকান আৰু পাইকাৰী বিপণীসমূহত খুচুৰা তথা পাইকাৰী মূল্য প্ৰদৰ্শন কৰাটো বাধ্যতামূলক কৰা, জিলা আয়ুক্ত- চেম্বাৰ আৰু বাণিজ্যিক সংস্থাসমূহৰ মাজত সাপ্তাহিক পৰ্যালোচনা বৈঠকৰ আয়োজন কৰিবলৈ দিয়া আদি অন্যতম। তদুপৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণৰ আসোঁৱাহ দূৰ কৰিবলৈ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ দ্ৰুত আধাৰ সংযোজনত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে অস্বাভাৱিক মূল্যৰ ক্ষেত্ৰত বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিলকে ধৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। ৰাজ্যবাসীৰ প্ৰতিটো সমস্যা সমাধান কৰাত চৰকাৰ সদায় সংকল্পবদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে দৃঢ় স্থিতি প্ৰকাশ কৰে।

০০০০০০

ভূটানৰ ৰজা জিগমে খেচাৰ নামগ্যাল ৱাংচুকে এন ডি এ চৰকাৰে একেৰাহে তৃতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰা উপলক্ষে কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা আৰু অভিনন্দন জনায়। ভূটানৰ নৃপতিগৰাকীয়ে এটা ব্যক্তিগত বাৰ্তাযোগে শুভেচ্ছা জনোৱাৰ কথা মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। ভূটানৰ ৰজাৰ উষ্ম আৰু সদ্ভাৱনাৰে পথোৱা ব্যক্তিগত বাৰ্তাই ভাৰত-ভূটান বন্ধুত্বৰ গভীৰতাক পুনৰ প্ৰতিফলন কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে। ড° শৰ্মাই লগতে প্ৰকাশ কৰিছে যে প্ৰধানমন্ত্ৰী মোদী আৰু চুবুৰীয়া বন্ধুৰাষ্ট্ৰৰ নৃপতিগৰাকীৰ দূৰদৰ্শী নেতৃত্বত ভাৰত-ভূটান সম্পৰ্কই নতুন শিখৰ স্পৰ্শ কৰিছে। এই সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে দক্ষিণ-পূব এছিয়া অঞ্চলৰ বিকাশ আৰু সমৃদ্ধিৰ নতুন দিশ উন্মোচনত সেতু বন্ধনৰ ভূমিকা পালন কৰিবলৈ অসম সদায়ে আগ্ৰহী আৰু প্ৰস্তুত বুলিও একেটা বাৰ্তাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰিছে।

০০০০০০

সম্ভাব্য বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতামূলক ব্যৱস্থাসমূহৰ ওপৰত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি সন্ধিয়া উত্তৰ লখিমপুৰ নগৰত জৰুৰীকালীন অনুশীলনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে জাৰি কৰা জাননী অনুসৰি আজি সন্ধিয়া ৬ বাজি ১৫ মিনিটৰ পৰা ৭ বাজি ১৫ মিনিটৰ ভিতৰত এই প্ৰস্তুতিমূলক আখৰা কৰা হ'ব। সেয়েহে এই সময়ছোৱাত বিপদ সংকেত বাজি উঠাৰ লগে লগে সকলো লাইট নুমুৱাই দি পুনৰ চাইৰেন বাজি নুঠালৈকে অঞ্চলটো আন্ধাৰ কৰি ৰাখিবৰ বাবে জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। এই প্ৰস্তুতিমূলক আখৰা সফল কৰি তুলিবৰ বাবে জিলা প্ৰশাসনে লখিমপুৰবাসীৰ সহায়-সহযোগিতা কামনা কৰিছে।

০০০০০০

নগাঁও জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত ৰূপায়িত হৈ থকা দুখন অভিলাসী আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। স্বচ্ছ ভাৰত মিছন গ্ৰামীন আৰু জনজীৱন মিছনৰ কামৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে নগাঁৱৰ অতিৰিক্ত জিলা আয়ুক্ত দিপাংকৰ বৰ্মনৰ অধ্যক্ষতাত এই বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত আঁচনিসমূহৰ অগ্ৰগতিৰ খতিয়ান লোৱা হয়। বৈঠকত সহকাৰী আয়ুক্ত প্ৰিয়ংকা কাশ্যপৰ লগতে নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংমণ্ডলীয় অভিযন্তা, কনিষ্ঠ অভিযন্তা আৰু অন্যান্য বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০

৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল নিৰ্বাচন সন্দৰ্ভত বি চি চি আইৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি গুৱাহাটীত অনুষ্ঠিত হ'ব। অসম ক্ৰিকেট সন্থাৰ কাৰ্যালয়ত বিয়লি চাৰি বজাত বৈঠকখন আৰম্ভ হ'ব। আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া শৃংখলাটোত ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব। বৈঠকৰ অন্তত দল ঘোষণাৰ বাবে বি চি চি আইয়ে সংবাদমেল সম্বোধন নকৰে। বিপৰীতে বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে নিৰ্বাচিত ভাৰতীয় দলৰ তালিকা প্ৰকাশ কৰিব।

০০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে-অফ পৰ্যায়ত উপনীত হৈছে। দলটোৱে যোৱানিশা চেন্নাইত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰি প্লে-অফত স্থান নিশ্চিত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি চেন্নাইয়ে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ কাৰ্তিক শৰ্মাই সৰ্বাধিক ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ পেট কামিন্সে ৩টা আৰু ছাকিব হুছেইনে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৯ অভাৰত ৫টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ঈষাণ কিষাণে ৭০ আৰু হেনৰিক ক্লাছেনে ৪৭ ৰানৰ বৰঙণি আগবঢ়ায়। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। খেলখনত বিজয়ী হোৱাৰ সুবাদত হায়দৰাবাদে গ্ৰুপ পৰ্যায়ত নিজৰ আৰু এখন খেল বাকী থকা অৱস্থাতে সম্প্ৰতি ১৬ পইণ্ট লাভ কৰিছে। একেদৰে গুজৰাট টাইটানছ দলটোৱেও ১৬ পইণ্ট লাভ কৰি প্লে-অফত স্থান নিশ্চিত কৰিছে। ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৮ পইণ্টেৰে প্লে-অফত উপনীত হৈছে। অৱশ্যে ১৩ খন খেলৰ পৰা এইপৰ্যন্ত ১২ পইণ্ট অৰ্জন কৰা চেন্নাইৰ দলটোও প্লে-অফ পৰ্যায়ত উপনীত হোৱাৰ দৌৰত আছে।

প্ৰতিযোগিতাত আজি জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

## News Paper REV

**যুদ্ধৰ পৰিস্থিতিৰ মাজতে বিশ্বৰ বজাৰত খাৰুৱা তেলৰ দাম বেৰেলত ১১১ ডলাৰলৈ বৃদ্ধি- এক ডলাৰত হ'লগৈ ৯৬.৩৯ টকা, গভীৰ সংকটত বিশ্বৰ তৈল ভাণ্ডাৰ, ড০ হিমন্ত বিশ্ব শৰ্মালৈ 'ভাৰত চাণক্য' বঁটা, ঘৰুৱা সংযোগত ৫০ শতাংশ,ঔদ্যোগিক সংযোগত ১০০ শতাংশ পৰ্যন্ত বিদ্যুৎ মাচুল বৃদ্ধিৰ সম্ভাৱনা-** আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহত স্থান লাভ কৰিছে। জল মেট্ৰ' সম্পৰ্কীয় বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশজোৰা প্ৰকল্পৰ প্ৰথম পৰ্যায়তে গুৱাহাটী মহানগৰ অৰ্ন্তভুক্ত হোৱাৰ বিষয়ে অৱগত কৰাৰ বাতৰি **দৈনিক অসম** কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অস্বাভাৱিকভাৱে দাম বৃদ্ধি কৰা বিপনীৰ বাতিল হব অনুজ্ঞাপত্ৰ- মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰত বজাৰৰ পৰিশ্থিতি লৈ অনুষ্ঠিত পৰ্যালোচনা বৈঠকত এইদৰে ঘোষণা কৰাৰ বাতৰি **দৈনিক জনমভূমি** আৰু **দি আছাম ট্ৰিবিউন** কাকত দুখনে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নৰৱেৰ

সৰ্ব্বোচ্চ সন্মান দ্যা ৰয়েল নৰৱেইয়ান অৰ্ডাৰ অৱ মেৰিট প্ৰদান কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** আৰু **দ্যা চেন্টিনেল** কাকতে আলোক চিত্ৰসহ প্ৰকাশ কৰিছে। নৱম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে ইংৰাজী মাধ্যমতো পঢ়িব পাৰিব গণিত-বিজ্ঞান- বিদ্যালয় শিক্ষা পৰিষদৰ এই গুৰুত্বপূৰ্ণ নিৰ্দেশনাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতৰ। দেশৰ চিকিৎসা বিজ্ঞানে হাওঁফাওঁৰ কৰ্কট ৰোগ নিৰাময়ৰ ঔষধ-টেচেনট্ৰিক মুকলি কৰাৰ গুৰুত্বপূৰ্ণ বাতৰি এটা **অসমীয়া খবৰ** কাকতখনে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০

শিৱসাগৰ জিলাৰ বৰপাত্ৰ দৌল উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষয়িত্ৰী ছিলভিয়া চালমা চুলতানাই কালি বেংগালুৰুত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। তেওঁ অৰুণোদয় সাহিত্য সভাৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

*ঃঃ সমাপ্ত ঃঃ*